**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

Headlines

১।	অসমত ৬ খন নতুন আয়ুষ চিকিৎসালয় স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা।

২।	ৰাজ্যত অহা দুবছৰলৈ শিক্ষক পদৰ বাবে টেট অনুষ্ঠিত নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

৩।	ৰাজ্য চৰকাৰৰ আজি বিয়লি গুৱাহাটীত এহেজাৰ ১৮২ জন প্ৰাক্তন আদিৱাসী উগ্ৰপন্থীক ৪ লাখ টকাকৈ প্ৰদান।

৪।	ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধি দলৰ আজি আহোমৰ স্মৃতি বিজড়িত ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শন।

*আৰু*

৫।	আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইত হ'বলগীয়া খেলত ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি।

০০০০০০

কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমত ৬ খন নতুন আয়ুষ চিকিৎসালয় স্থাপনৰ পৰিকল্পনা কৰা হৈছে বুলি কালি ঘোষণা কৰিছে। ইয়াৰ ভিতৰত ৪ খন ৫০ খন বিচনাযুক্ত চিকিৎসালয় কলিয়াবৰ, মৰিগাঁও, কোকৰাঝাৰ আৰু বাক্সাত স্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে, এখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় ডিফুত আৰু আন এখন ১০ খন বিচনাযুক্ত চিকিৎসালয় বজালীত স্থাপন কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। মাজুলিৰ শ্ৰীৰাম চাপৰিৰ দেৰোত্তৰত ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ অধীনত স্থাপন কৰা ৰাজ্যৰ দ্বিতীয়খন আয়ুৰ্বেদিক চিকিৎসালয় উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা ঘোষণা কৰে। ইয়াৰ লগতে অসমত ২৮৯ টা আয়ুষ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ কাৰ্যক্ষম কৰা হ'ব বুলি শ্ৰীসোণোৱালে জানিবলৈ দিয়ে। তদুপৰি দুশটা অতিৰিক্ত এনে কেন্দ্ৰ শীঘ্ৰেই স্থাপন কৰা হব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। ৰাজ্যৰ প্ৰতিখন জিলাতে মুঠ এশখন আয়ুষ ঔষধ কেন্দ্ৰ মুকলি কৰা হব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীসোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত পৰম্পৰাগত ঔষধ আৰু স্বাস্থ্য সেৱা খণ্ডত যথেষ্ট উন্নতি হোৱা পৰিলক্ষিত হৈছে। সম্প্ৰতি আয়ুষ স্বাস্থ্য সেৱা ব্যৱস্থাই বিশ্বজুৰি ৰোগ উপশম আৰু জীৱনৰ মান উন্নীতকৰণৰ বাবে স্বীকৃতি লাভ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মাজুলিত কালি উদ্বোধন কৰা ৫০ খন বিচনাযুক্ত এই চিকিৎসালয়খনে অঞ্চলবাসীক উপকৃত কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে অহা দুবছৰলৈ শিক্ষক পদৰ টেট অনুষ্ঠিত নকৰে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি প্ৰকাশ কৰিছে।  সেয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ শিক্ষক পদত চি-টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলেও আৱেদন কৰিব পাৰিব। একেদৰে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষক পদৰ বাবেও সুকীয়াকৈ টেট অনুষ্ঠিত নহয়। ইয়াৰ পৰিৱৰ্তে চৰকাৰে  বিশেষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিব। ইয়াৰ ফলত খালী থকা পদৰ অনুপাতেহে প্ৰাৰ্থী উত্তীৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আনহাতে শিক্ষা বিভাগত গ্ৰহণ কৰা বিভিন্ন সংস্কাৰমূলক পদক্ষেপৰ সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে কালি ৰাজ্যৰ শিক্ষা বিভাগৰ বিভিন্ন সঞ্চালকালয়ৰ অধীনত ৩১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষা উপদেষ্টা ননী গোপাল মহন্তকে ধৰি অন্যান্য শিক্ষা বিষয়াসকলৰ উপস্থিতিত গুৱাহাটীৰ মাছখোৱাৰ সাংস্কৃতিক প্ৰকল্পত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। নৱনিযুক্ত প্ৰাৰ্থীসকলৰ ভিতৰত ২৪১ গৰাকী দিব্যাংগ প্ৰাৰ্থীয়ে প্ৰাথমিক শিক্ষা বিভাগত, ২৭ গৰাকী প্ৰাৰ্থীয়ে উচ্চ শিক্ষা বিভাগত সহকাৰী অধ্যাপক আৰু অন্যান্য পদত নিযুক্তি লাভ কৰাৰ লগতে আন ৫০ গৰাকী প্ৰাৰ্থীয়ে ৰাজ্যিক, শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিভিন্ন পদত নিযুক্তি পত্ৰ লাভ কৰে। অনুষ্ঠানত দিয়া ভাষণ ডাঃ পেগুৱে নৱনিযুক্তি প্ৰাৰ্থীসকলক নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰি দেশ, জাতি আৰু মানৱ সমাজৰ প্ৰতি সেৱা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে, চৰকাৰে ১ লাখ নিযুক্তিৰ লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হৈছে। ভাষণ প্ৰসংগত ডাঃ পেগুৱে শীঘ্ৰেই শিক্ষা বিভাগৰ পুনৰ প্ৰায় ১৩ হাজাৰ চাকৰিৰ বিজ্ঞাপন প্ৰকাশ পাব বুলি উল্লেখ কৰে।

০০০০০০০০

মেৰী মাটি মেৰা দেশ কাৰ্যসূচীৰ অংশ হিচাপে কালি উজনি মাজুলী উন্নয়ন খণ্ডত আয়োজিত অমৃত কলহ যাত্ৰাৰ দ্বিতীয় পৰ্যায়ৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ, জলপথ আৰু আয়ুষ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সাংসদ তপন কুমাৰ গগৈ, প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে আৰু ভূৱন গামেও অংশ লয়। ইপিনে, মৰিগাও জিলাৰ মানিপুৰ গাঁও পঞ্চায়তত কালি বহু লোকে অমৃত কলহ যাত্ৰাত অংশ লয়। যমুনামুখ সমষ্টিৰ ভেৰোগুৰি পঞ্চায়তৰ উদ্যোগতো অমৃত কলহ যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ৰাইজৰ পৰা সংগ্ৰহ কৰা মাটি পঞ্চায়ত কাৰ্যালয়ৰ কলহত জমা কৰা হয়। এই উপলক্ষে চাহ জনগোষ্ঠীয় যুৱতীসকলে ঝুমুৰ নৃত্যৰে সকলোকে আকৰ্ষণ কৰে।

গুৱাহাটী মহানগৰীতো আজি মেৰী মাটি মেৰা দেশ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আজি লতাশিল খেলপথাৰৰ পৰা উজানবজাৰৰ গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়লৈ এই উপলক্ষে শোভাযাত্ৰা উলিওৱা হ'ব। পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই প্ৰকাশ কৰা মতে, মহানগৰীৰ ৬০ টা ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি পৌৰ নিগমৰ কাৰ্যালয়লৈ শোভাযাত্ৰা কৰি লৈ যোৱা হ'ব।

০০০০০০০০

ৰাজ্য চৰকাৰে আজি বিয়লি গুৱাহাটীত এহেজাৰ ১৮২ জন প্ৰাক্তন আদিৱাসী উগ্ৰপন্থীক ৪ লাখ টকাকৈ প্ৰদান কৰিব। এই উগ্ৰপন্থী কেইজন আদিৱাসী কোব্ৰা মিলিটাৰী অব্ আসাম, অল আদিৱাসী নেচনেল লিবাৰেচন আৰ্মী, বিৰছা কামাণ্ডো ফ'ৰ্চ, আদিৱাসী পিপলচ আৰ্মী আৰু চান্থাল টাইগাৰ ফ'ৰ্চ নামৰ ৫টা উগ্ৰপন্থী সংগঠনৰ সদস্য। তেওঁলোকে যোৱা জুলাইত অস্ত্ৰ সম্বৰণ কৰিছিল আৰু অসম চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি এই সদস্য কেইগৰাকীক ৪ লাখ

টকাৰ চেক্ প্ৰদান কৰিব। অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু ভালে সংখ্যক বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০০০

কেইবাদিন ধৰি হৈ থকা নেৰা-নেপেৰা বৰষুণৰ ফলত লখিমপুৰৰ ৰঙানদীৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। ইয়াৰ ফলত অৰুণাচল প্ৰদেশৰ ইয়াজুলিত থকা বান্ধৰ পানী এৰি দিয়াৰ প্ৰয়োজন হ'ব পাৰে বুলি নিপকোৰ বিভাগীয় সূত্ৰৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইপিনে, যোৱা কেইবাদিন ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যৰ ৪ খন জিলাৰ ২০ খন গাঁও বানৰ কবলত পৰিছে। আনহাতে গুৱাহাটী মহানগৰীত হেঙেৰাবাৰীত ভূমিস্ফলন প্ৰভাৱিত এলেকাৰ লোকসকলৰ বাবে আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাই কালি জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এই আশ্ৰয় শিবিৰটো পৰিদৰ্শন কৰি তাত থকা লোকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বিভিন্ন সমস্যাৰ বুজ লয়।

০০০০০০০০

ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দলটোৱে আজি আহোমৰ স্মৃতি বিজড়িত ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শন কৰিব। ইউনেস্কোৰ উত্তৰ-পূৰ এছিয়াৰ বিশেষজ্ঞ প্ৰতিনিধি ছিংগাপুৰৰ **লিম চিং ছিয়াঙৰ** নেতৃত্বত অহা বিশেষজ্ঞৰ দলটো কালি বিয়লি চৰাইদেউত উপস্থিত হয়। বিশেষজ্ঞৰ দলটোৱে কিছু সময় মৈদাম ক্ষেত্ৰ পৰিদৰ্শন কৰাৰ পাছত সন্ধিয়া কেন্দ্ৰীয় পুৰাতত্ব আৰু ৰাজ্যিক পুৰাতত্ব বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়াৰ বাবে ইতিমধ্যে প্ৰস্তুত কৰা ডছিয়াৰৰ বিষয়ে আলোচনা কৰা হয় বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ বাবে প্ৰস্তুত কৰা ডছিয়াৰৰ মানচিত্ৰত ক'ৰ জ'ন আৰু বাফাৰ জ'ন এলেকাত মুঠ ৪ হাজাৰ ৭৫৬ বিঘা মাটি সন্নিৱিষ্ট কৰা হৈছে।

উল্লেখযোগ্য যে, পৰহিলৈ বিয়লি পৰ্যন্ত বিশেষজ্ঞৰ দলটোৱে মৈদাম এলেকাৰ বিভিন্ন তথ্য সমল সংগ্ৰহ কৰি ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি অসম সাংস্কৃতিক মহাসভাৰ চলিত বৰ্ষৰ পঞ্চম ৰাজ্যিক বঁটা আৰু উপাধি প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াই ৰাজ্যৰ বিভিন্ন জিলাৰ এশ এগাৰাকী ব্যক্তিক আনুষ্ঠানিকভাৱে বঁটা আৰু উপাধি প্ৰদান কৰিব। ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, পৰ্যটন আৰু জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বিধায়ক পৰমানন্দ ৰাজবংশী আৰু অতুল বৰাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০০

ছিকিমত আকস্মিক বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩০জনলৈ বৃদ্ধি পাইছে। এই পৰ্য্যন্ত ৮১ জন লোক সন্ধানহীন হৈ আছে। ৰাজ্যখনত মুঠ এহেজাৰ ৩২০টা গৃহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু ডাৱৰ বিস্ফোৰণৰ ফলত তিস্তা নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে সৃষ্টি হোৱা আকস্মিক বানে ১৩ খন দলং উটুৱাই নিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দুৰ্গত ৰাইজৰ বাবে ৩০টা সাহায্য শিবিৰ মুকলি কৰা হৈছে। এই শিবিৰ সমূহত ৭ হাজাৰ অধিক লোকে আশ্ৰয় লৈ আছে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে কালি মংগন জিলাৰ

বান ক্ষতিগ্ৰস্ত নাগা এলেকা পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীগৰাকীয়ে জনসাধাৰণলৈ সকলো ধৰণৰ সহায়-সাহায্য আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

ইপিনে, কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই কালি গেংটকৰ তাছিলিং সচিবালয়ত ছিকিমৰ মুখ্য সচিব, বিভিন্ন বিভাগ, সেনা আৰু অন্যান্য সংস্থাৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীমিশ্ৰাই কয় যে, কেন্দ্ৰীয় চৰকাৰে ছিকিমৰ পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু ৰাজ্যখনলৈ সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে। শ্ৰীমিশ্ৰাই লগতে বানত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা ৰাংপো আৰু বৰদাং এলেকা পৰিদৰ্শন কৰে।

oooooooo

মধ্য প্ৰাচ্যৰ দক্ষিণ আৰু মধ্য ইজৰাইলত কালি পেলেষ্টানৰ উগ্ৰপন্থী গোট হামাচে অতৰ্কিতে কৰা ৰকেট আক্ৰমণৰ ঘটনাত কমেও ১৫০ জন লোক নিহত হোৱাৰ লগতে এহজাৰ ১০০ৰো অধিক লোক আহত হৈছে। আমালৈ অহা বাতৰি অনুসৰি ইজৰাইৰ মেয়ৰ আৰু শ্বাৰ হানেগেৰ আঞ্চলিক পৰিষদৰ মুৰব্বী অৰ্ফি লিবষ্টিনো এই ভয়াৱহ আক্ৰমণত নিহত হৈছে। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি ইজৰাইলৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে সন্ত্ৰাসবাদী গোটটোৱে ইজৰাইলৰ ভালে সংখ্যক লোকক গাজাত আবদ্ধ কৰি ৰাখিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে যে, ইজৰাইলত বৰ্তমান যুদ্ধ সদৃশ পৰিৱেশ সৃষ্টি হৈছে আৰু দেশখন এই যুদ্ধত জয়ী হ'বলৈ সমৰ্থন হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, ভাৰত এই আক্ৰমণৰ বলি হোৱা নিৰীহ লোক আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে আছে। শ্ৰীমোদীয়ে কয় যে, ভাৰত এই সংকটৰ সময়ত ইজৰাইলৰ জনসাধাৰণৰ সৈতে ঐক্যৱদ্ধভাৱে থিয় হৈ আছে।

oooooooo

দৰিদ্ৰ পৰিয়ালসমূহক বিনামূলীয়া চিকিৎসা প্ৰদানৰ নিশ্চিতিৰে আৰম্ভ কৰা আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত এতিয়ালৈকে ২৫ কোটি ৪০ লাখৰো অধিক আয়ুষ্মান কাৰ্ড প্ৰদান কৰা হৈছে। এই আঁচনিৰ অধীনত এতিয়ালৈকে ৫ কোটি ৭০ লাখৰো অধিক নগদ ধনৰ লেনদেন বিহীন চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে ইয়াত অন্তৰ্ভুক্ত হৈ চৰকাৰী আৰু বে-চৰকাৰী চিকিৎসালয়সমূহত বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰাৰ লগতে চিকিৎসালয়ত থাকিবলগীয়া হ'লে ভৰ্তি হোৱাৰ তিনিদিনৰ আগৰ পৰা চিকিৎসালয়ৰ পৰা যোৱাৰ ১৫ দিন পাছলৈকে বিনামূলীয়াকৈ পৰীক্ষা আৰু ঔষধৰ লাভ কৰে।

oooooooo

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাইত আজি হ'বলগীয়া খেলত ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। খেলখন বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ইপিনে, দক্ষিণ আফ্ৰিকাই কালি নতুন দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাক ১০২ ৰানত পৰাস্ত কৰে। খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ৫ উইকেটৰ বিনিময়ত ৪২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰ শ্ৰীলংকাই ৪৪ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩২৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ আগেয়ে বাংলাদেশে ধৰমশালাত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰে। বাংলাদেশে ১৫৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মেহদী হাচান মিৰাজ আৰু নাজমুল হুছেইন চান্তোৰ অৰ্ধ শতকৰ সহায়ত ৩৪ অভাৰ আৰু চাৰিটা বলত চাৰি উইকেটৰ বিনিময়ত ১৫৮ ৰাণ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৩৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰাণ সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ চাকিব আৰু মেহদীয়ে তিনিটাকৈ উইকেট দখল কৰে। মেহদী হাচানক প্লেয়াৰ অফ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooooo

চীনৰ হাচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮টা সোণ, ৩৮টা ৰূপ আৰু ৪১টা ব্ৰঞ্জসহ মুঠ ১০৭টা পদক লাভ কৰি অভিলেখ গঢ়িছে। ভাৰতে কালি প্ৰতিযোগিতাৰ অন্তিম দিনা ৬টা সোণ, চাৰিটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতে কাবাডী, বেডমিণ্টন, ক্ৰিকেট আৰু আৰ্চাৰীৰ বিভিন্ন শিতানত এই স্বৰ্ণ পদককেইটা হস্তগত কৰে। পুৰুষৰ ক্ৰিকেটত ভাৰত আৰু আফগানিস্তানৰ মাজত ফাইনেল খেলখন বৰষুণৰ বাবে পৰিতক্ত ঘোষণা কৰিবলগীয়া হয়। ইয়াৰ পাছত আই চি চিৰ ৰেংকিঙৰ ভিত্তিত ভাৰতৰ জয়ী ঘোষণা কৰা হয়। একেদৰে কাবাডীৰ পুৰুষ আৰু মহিলা শাখাতে ভাৰতে স্বৰ্ণ পদক অৰ্জন কৰে। ভাৰতৰ পুৰুষ দলে ফাইনেলত ইৰাণক পৰাভূত কৰাৰ বিপৰীতে মহিলা দলে চীনা টাইপেইক পৰাস্ত কৰি স্বৰ্ণ পদক দখল কৰে। পুৰুষৰ বেডমিণ্টনৰ ডাবলছত ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিক সাইৰাজ ৰণকি ৰেড্ডীৰ যুটীটোৱে সোণৰ পদক অৰ্জন কৰিছে। এছিয়াডত বেডমিণ্টনত এয়া ভাৰতৰ প্ৰথম সোণৰ পদক। ফাইনেলত যুটীটোৱে দক্ষিণ কোৰিয়াৰ প্ৰতিযোগীক ২১-১৮, ২১-১৬ৰ ব্যৱধানত পৰাজিত কৰে। ভাৰতৰ পুৰুষ আৰু মহিলাৰ ডবা দল দুটাই ৰূপৰ পদক অৰ্জন কৰিছে। আনহাতে, মল্লযুঁজত দীপক পুনিয়াই পুৰুষৰ ৮৬ কিলোগ্ৰাম ফ্ৰী ষ্টাইল শাখাত আৰু পুৰুষৰ কম্পাউণ্ড আৰ্চাৰী দলে ৰূপৰ পদক লাভ কৰে। একেদৰে পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড আৰ্চাৰীৰ ফাইনেলত অ'জাছ ডেওতালে সোণ আৰু অভিষেক বাৰ্মাই ৰূপৰ পদক লাভ কৰে। নিচেই পুৱাতে ভাৰতে মহিলাৰ ব্যক্তিগত শাখাৰ কম্পাউণ্ড আৰ্চাৰীত সোণ আৰু ৰূপৰ পদক লাভ কৰে। জ্যোতি সুৰেখা ভেনমে দক্ষিণ কোৰিয়াৰ ছিউৰন ছ'ক পৰাজিত কৰি সোণৰ পদক হস্তগত কৰে। আনহাতে অদিতি গোপীছান্দ স্বামীয়ে এই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

oooooooo

লখিমপুৰৰ বিহপুৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সাহিত্যিক তথা সমাজকৰ্মী ড০ হৰিনাৰায়ণ শৰ্মাৰ কালি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। যোৱা ৫ অক্টোবৰৰ সন্ধিয়া শৰ্মা দুৰ্ঘটনাত পতিত হয়। দুদিন চিকিৎসালয়ত থকাৰ পাছত কালি তেওঁৰ মৃত্যু ঘটে।

oooooooo

## News Paper Review (08-10-2023, Morn.) RNU/280

শুকুৰবাৰে মাজনিশাৰ পৰা পেলেষ্টাইনৰ হামাচ বাহিনীয়ে ইজৰাইলৰ ওপৰত চলোৱা ধাৰাবাহিক ৰকেট আক্ৰমণৰ ঘটনা আৰু এছিয়ান গেমছত ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাতৰিক আজি প্ৰকাশিত প্ৰায় কেইখন কাকতেই ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। কৃত্ৰিম বানে মহানগৰবাসীৰ প্ৰত্যহিক জীৱন যাত্ৰা ব্যাহত কৰাৰ সময়তে মহানগৰবাসীৰ বাবে শংকাৰ কাৰণ হৈছে ভূমিস্খলন। ঘৰৰ ওপৰত খহি পৰিল শিল, আহত ৪ এই বাতৰি **আমাৰ অসম** কাকতৰ। আৰক্ষী বিষয়া এছ

আই জোনমণি ৰাভাৰ মৃত্যু সন্দৰ্ভত চি বি আইৰ তদন্ত অব্যাহত। উপ মহাপৰিদৰ্শক লাভলী কাটিয়াৰৰ নেতৃত্বত চি বি আইৰ মাৰাথন জেৰা এছ্ পি লীনা দলেক। **অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা** আৰু **দৈনিক অসম** কাকতে এই বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। আহোম ৰাজত্ব কালৰ ছশ বছৰীয়া স্বৰ্ণিল ইতিহাস বিজড়িত ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ বাবে ইউনেস্কৰ উত্তৰ-পূব এছিয়া বিশেষজ্ঞ প্ৰতিনিধি দলক বিপুল ভাৱে আদৰণি জনোৱাৰ বাতৰিটোক **দি আছাম ট্ৰিবিউন, অসমীয়া প্ৰতিদিন** আৰু **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দ্য ছেণ্টিনেল** কাকতৰ শিৰোনাম Limit expenditure to bare minimum, অসমৰ চৰকাৰী কৰ্মচাৰী সুৰক্ষিত ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি কালি অনুষ্ঠিত অৱস্থান ধৰ্মঘট কাৰ্যসূচীত বৃহৎ সংখ্যক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। পুৰণি পেন্সন বাহালৰ দাবীত ৰাজ্যজুৰি কৰ্মচাৰী পৰিষদৰ ধৰ্মঘট- এই শিৰোনাম **অসমীয়া খবৰ** কাকতৰ। কৰ্মচাৰীৰ কৰ্ম বিৰতিত জনতা ভৱনকে ধৰি অচল হৈ পৰিল ৰাজ্য প্ৰশাসন- **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** কাকতে সন্ত্ৰাস বিৰোধী অভিযানত সাহসেৰে নেতৃত্ব প্ৰদান আৰু বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰাৰ স্বীকৃতি স্বৰূপে অসমৰ শংকৰব্ৰত ৰায়মেধিক গৃহমন্ত্ৰীৰ পদক প্ৰদান কৰাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে- শিক্ষাবিভাগত ১৩ হাজাৰ নতুন নিযুক্তি, আফগানিস্তানত শনিবাৰে হোৱা ৬ দশমিক ৩ প্ৰাবল্যৰ ভূমিকম্পত ৩০০ জন লোকৰ মৃত্যু, আহত ৫০০, ৪ জিলাত বানত আক্ৰান্ত ৪ হাজাৰ লোক ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooooo

**সমাপ্ত**